# REGIONAL NEWS UNIT

## AKASHVANI :: GUWAHATI

0000000000

**Date : 25-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি নতুন দিল্লীত দেশৰ এন ডি এ শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ মুখ্যমন্ত্ৰীসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। বিজেপিৰ সুপ্ৰশাসন বিভাগে আয়োজন কৰা এই বৈঠকত সুপ্ৰশাসন ব্যৱস্থাৰ সৈতে জড়িত বিভিন্ন বিষয় আলোচনা কৰা হয়। বৈঠকত বিজেপি সভাপতি জগত প্ৰকাশ নাড্ডা, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙ, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে এন ডি এ শাসিত ৰাজ্যৰ ২০ গৰাকী মুখ্যমন্ত্ৰী আৰু ১৮ গৰাকী উপ মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। বৈঠকত গ্ৰহণ কৰা দুটা প্ৰস্তাৱত ভাৰতীয় সশস্ত্ৰ বাহিনী আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অপাৰেশ্বন সিন্দূৰৰ সফলতাৰ বাবে অভিনন্দন জনোৱাৰ উপৰি জাতি পিয়ল অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জ্ঞাপন কৰা হয়।

০০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো সন্দৰ্ভত বিধানসভাৰ মন্ত্ৰীগোটে অচিৰেই প্ৰতিবেদন দাখিল কৰিব বুলি ঘোষণা কৰিছে। আজি সদৌ অসম আহোম সভাৰ লখিমপুৰ জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত সদৌ অসম আহোম সভাৰ ১৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি ডাঃ পেগুৱে লগতে কয়, যে জনজাতিকৰণৰ বিষয়টো যিহেতু ৰাজনৈতিক বিষয় সেয়ে এই ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত উচ্চস্তৰীয় বৈঠকৰ প্ৰয়োজন আছে। আনহাতে, পদ্মনাথ গোহাঞিবৰুৱাৰ নাম যুগমীয়া কৰাৰ বাবে শীঘ্ৰে শিক্ষা বিভাগে এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লব বুলিও ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ নেতৃত্বত ১৮৯৩ চনত সদৌ অসম আহোম সভা গঠন হৈছিল। ঢকুৱাখনাৰ সাপতীয়া চেতিয়া গাঁৱৰ জননেতা সুৰেন্দ্ৰ নাথ বুঢ়াগোহাঞি ক্ষেত্ৰত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে আহোম সভাৰ ১৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত হৈছে।

০০০০

বনৰীয়া কাঠফুলা খাই বিষক্ৰিয়াত আক্ৰান্ত হোৱা ঘটনা ৰোধ কৰাৰ বাবে শিৱসাগৰ জিলা আয়ুক্ত আয়ুষ গাৰ্গ আৰু জিলা স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মাখন কলিতাই স্থানীয় জনতাক হাবি-বননিত পোৱা কাঠফুলা খোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। বাৰিষা কালত হাবিয়ে-বননিয়ে উপলব্ধ হোৱা কাঠফুলাত বিভিন্ন বিষাক্ত পদাৰ্থ থাকে আৰু এনে কাঠফুলা খালে মানুহৰ মৃত্যু পৰ্যন্ত হব পাৰে। কাঠফুলা খোৱাৰ পিছত ব্যক্তিজনৰ পেটৰ বিষ, বমি আদি লক্ষণে দেখা দিলে অনতি পলমে ওচৰৰ স্বাস্থ্য কেন্দ্ৰৰ সৈতে যোগাযোগ

কৰিবলৈ তেওঁলোকে আহ্বান জনায়। উল্লেখযোগ্য যে শিৱসাগৰ জিলাৰ চাহ বাগিছা অধ্যুষিত অঞ্চলত বিগত সময়ত বিষাক্ত কাঠফুলা ভক্ষণ কৰি বহু লোক বিষক্ৰিয়াত আক্ৰান্ত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিততে জিলা স্বাস্থ্য বিভাগে এই সন্দৰ্ভত সজাগতাৰ বাবে এপ্ৰিল মাহৰ আৰম্ভণিৰ পৰা এলানি সজাগতা কাৰ্যসূচী গ্ৰহণ কৰিছে।

০০০০

বজালী জিলাৰ ভৱানীপুৰত কালি নিশা আৰক্ষীয়ে অভিযান চলাই দুজন জুৱাৰীক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ হোৱা জুৱাৰী দুজন হৈছে আফজালুৰ ৰহমান আৰু চাহজামুল আলী। আৰক্ষী সূত্ৰই জনোৱা মতে দুয়ো ব্যক্তিয়ে ভৱানীপুৰৰ নিজৰ দোকানত টীৰ খেলৰ টিকট দীৰ্ঘদিনৰ পৰা বিক্ৰী কৰি আহিছিল। অভিযানৰ সময়ত আৰক্ষীয়ে টীৰ খেলৰ টিকটৰ লগতে খেলৰ তথ্য সম্বলিত নথি আৰু দুটা মোবাইল জব্দ কৰিছে।

০০০০

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তথা ডিব্ৰুগড় জিলা প্ৰশাসন আৰু মটক জনগোষ্ঠীয় কেইবাটাও সংগঠনৰ সহযোগত আজি চাবুৱাত ২২৩ সংখ্যক স্বৰ্গদেউ সৰ্বানন্দ সিংহ দিৱস উদযাপন কৰা হয়। দিৱসৰ সৈতে সংগতি ৰাখি চাবুৱাৰ কয়লাবাৰীত স্থাপন কৰা স্বৰ্গদেউগৰাকীৰ এটা প্ৰতিমূৰ্তি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উন্মোচন কৰে। এই উপলক্ষে চাবুৱাৰ সূৰ্য্যোদয় সংঘৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত দিয়া ভাষণত শ্ৰীসোণোৱালে স্বৰ্গদেউগৰাকীৰ কৰ্ম আৰু আদৰ্শৰে জাতিক সমৃদ্ধ কৰিবলৈ নিষ্ঠাৰে কাম কৰি যাবলৈ সকলোকে আহ্বান জনায়।

০০০০

সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ কামৰূপ জিলা সমিতিৰ ২৪ সংখ্যক দ্বিবাৰ্ষিক অধিবেশনখন ৰঙিয়াৰ পি এম শ্ৰী তুলসীবাৰী বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলন কৰে জিলা সমিতিৰ সভাপতি সুভেন দাসে। তেওঁৰ পৌৰহিত্যত অনুষ্ঠিত প্ৰতিনিধি সভাত জিলাখনৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিনিধি বৰ্গই অংশগ্ৰহণ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদে-কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ২৭৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি ছান ৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। নিৰ্ধাৰিত ২০ অভাৰত চানৰাইজাৰ্ছ হায়দৰাবাদে ৩ টা উইকেট হেৰুৱাই ২৭৮ ৰাণ সংগ্ৰহ কৰে। চানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ এইচ ক্লাচেনে ৩৯ টা বলত সৰ্বাধিক ১০৫ ৰাণ সংগ্ৰহ কৰি আউট নোহোৱাকৈ থাকে।

আনহাতে, সন্ধিয়া অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন খেলত চেন্নাই চুপাৰ কিংছে - গুজৰাট টাইটানছক ৮৩ ৰাণত পৰাস্ত কৰে। চেন্নাই চুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২৩০ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত গুজৰাটে ১৮ অভাৰ ৩ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৭ ৰাণহে কৰিবলৈ সক্ষম হয়।

০০০০

কাচাৰ জিলাৰ অতিৰিক্ত আয়ুক্ত যুৱৰাজ বৰঠাকুৰৰ আজি আবেলি চিকিৎসাধীন অৱস্থাত হায়দৰাবাদৰ এখন ব্যক্তিগত হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৪ বছৰ। দীৰ্ঘদিনৰ পৰা যুৱৰাজ বৰঠাকুৰ ইনফ্লেমেটৰি বাৱেল ডিজিজ চমুকৈ আই বি দি নামৰ জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। সোমবাৰে তেওঁৰ মৃতদেহ তেওঁৰ জন্মস্থান ডিব্ৰুগড়লৈ লৈ যোৱা হব আৰু তাতে শেষকৃত্য সম্পন্ন কৰা হ'ব। উল্লেখযোগ্য যে ২০২২ চনৰ পৰা যুৱৰাজ বৰঠাকুৰে কাচাৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল।

০০০০

সমাপ্ত